# দেশৰ প্ৰধানমন্ত্ৰীলৈ এখন মুকলি চিঠি

মাননীয় প্ৰধানমন্ত্ৰী মহোদয়,

ছাৰ, ৰাজহুৱা জীৱনত আপোনাৰ ২৫ বৰ্ষ সম্পূৰ্ণ হোৱাৰ এই বিশেষ ক্ষণত মই পোনপ্ৰথমে আপোনাক আন্তৰিক অভিনন্দন জনাইছোঁ। ইমান দীঘলীয়া সময় ধৰি ৰাইজৰ সেৱা কৰাটো সঁচাকৈয়ে এক অসাধাৰণ যাত্ৰা, যি নিৰৱচ্ছিন্ন দায়িত্ববোধ আৰু জনতাৰ প্ৰতি থকা আপোনাৰ অটল দায়বদ্ধতাৰ পৰিচায়ক। ৰাজহুৱা জীৱনত এনে সুদীৰ্ঘ স্থায়িত্ব সঁচাকৈয়ে স্বীকৃতি আৰু সন্মানৰ যোগ্য।

কিন্তু মই অনুভৱ কৰোঁ যে, ৰাজহুৱা জীৱনৰ এই ২৫টা বছৰ কেৱল এজন ব্যক্তিৰ সাফল্যৰ উদযাপনৰেই নহয়, ই এক আত্মবিশ্লেষণৰো সময়। এই বিশ্লেষণ কেৱল ব্যক্তিবিশেষৰ নহয়, যিবোৰ প্ৰতিষ্ঠানৰ জৰিয়তে জনসেৱা আগবঢ়োৱা হয় আৰু যিবোৰ গণতান্ত্ৰিক মূল্যবোধে এনে সেৱাক সম্ভৱ কৰি তোলে, সেই সকলোবোৰৰ সামগ্ৰিক মূল্যায়ন হোৱা উচিত।

এনে এক সুদীৰ্ঘ যাত্ৰাই বহন কৰা দায়িত্বৰ প্ৰতি অটুট সন্মান আৰু শ্ৰদ্ধা ৰাখিয়েই মই এই চিঠিখন লিখিবলৈ আগবাঢ়িছোঁ। লগতে, অহা ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ অসমত পালন কৰিবলৈ লোৱা "সেৱা সংকল্প অভিযান"ৰ সন্দৰ্ভত দুটামান প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছোঁ।

অসম চৰকাৰৰ শেহতীয়া এক নিৰ্দেশনাত উল্লেখ থকা অনুসৰি, এইটো আপোনাৰ ৰাজহুৱা জীৱনৰ ২৫ বছৰীয়া যাত্ৰাক সোঁৱৰণ কৰি হাতত লোৱা এক এমহীয়া কাৰ্যসূচী, য'ত চৰকাৰৰ বিভিন্ন বিভাগ, জিলা প্ৰশাসন, ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী আৰু আন আন অংশীদাৰসকলক জড়িত কৰা হৈছে।

প্ৰথমেই মই নিসংকোচে স্বীকাৰ কৰিব বিচাৰোঁ যে এই কাৰ্যসূচীৰ বহুকেইটা দিশ সঁচাকৈয়ে প্ৰশংসনীয়। একেবাৰে প্ৰান্তীয় পৰ্যায়ৰ লোকসকলৰ কাষলৈ চৰকাৰী সেৱা লৈ যোৱা, অভিযোগসমূহৰ নিস্পত্তি কৰা, যোগ্য হিতাধিকাৰীক সম্পূৰ্ণৰূপে সাঙুৰি লোৱা, নাগৰিকৰ অংশগ্ৰহণ সুনিশ্চিত কৰা আৰু তৃণমূল পৰ্যায়ৰ কৰ্মীসকলক স্বীকৃতি জনোৱা— এইবোৰ সুশাসনৰ অন্যতম গুৰুত্বপূৰ্ণ ভেটি। নিৰ্দেশনাটোত একেবাৰে সঠিকভাৱেই জোৰ দিয়া হৈছে যে সকলো পৰিকল্পিত কাৰ্যসূচী কেৱল আনুষ্ঠানিকতাৰ মাজতে আৱদ্ধ নাথাকি, সময়সীমা নিৰ্ধাৰিত, পৰিমাপ কৰিব পৰা আৰু ফলাফলমুখী হোৱা উচিত।

উদাহৰণস্বৰূপে, প্ৰস্তাৱিত 'সেৱা সেতু অভিযান'ৰ সঁচাকৈয়ে এক বাস্তৱিক সম্ভাৱনা আছে। ব্লক পৰ্যায়ৰ শিবিৰৰ জৰিয়তে চৰকাৰী সেৱাসমূহ নাগৰিকৰ দুৱাৰদলিলৈ লৈ যোৱা, অভিযোগসমূহৰ নিস্পত্তি কৰা আৰু যোগ্য ব্যক্তিসকলক তেওঁলোকৰ জীৱন সঁচাকৈয়ে সলনি কৰিব পৰা আঁচনিসমূহৰ সুবিধা প্ৰদান কৰাৰ ই এক সুন্দৰ পৰিকল্পনা। যিহেতু এই উদ্দেশ্যসমূহ সঁচাকৈয়ে মহৎ, সেয়েহে এই অনুষ্ঠানে এক বৃহত্তৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে:

গণতন্ত্ৰই আচলতে কিহৰ উদযাপন কৰা উচিত? ব্যক্তিৰ নে জনসেৱা প্ৰদান কৰা প্ৰতিষ্ঠানসমূহৰ?

অৱশ্যেই, কোনো এটা ৰাজনৈতিক দল বা ইয়াৰ সমৰ্থকসকলে নিজৰ নেতাৰ কৰ্মজীৱন উদযাপন কৰাত কোনো অনুচিত কথা নাই। আমি সকলোৱেই জানো যে ৰাজনৈতিক দলসমূহ যিকোনো গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংগ আৰু ইয়াৰ নাগৰিকসকলে নিজৰ পছন্দৰ নেতাসকলক প্ৰশংসা বা উদযাপন কৰিবলৈ সম্পূৰ্ণ স্বাধীন।

কিন্তু মই অনুভৱ কৰোঁ যে এখন ৰাষ্ট্ৰৰ অৱস্থান সম্পূৰ্ণ সুকীয়া। নিৰ্বাচনৰ পিছত চৰকাৰ সলনি হয়, ৰাজনৈতিক নেতাসকল আহে আৰু যায়— আৰু সেয়াই স্বাভাৱিক। কিন্তু, ৰাষ্ট্ৰৰ স্থায়ী প্ৰতিষ্ঠানসমূহ চিৰস্থায়ী। এখন জিলা প্ৰশাসনে আজি এখন চৰকাৰৰ অধীনত কাম কৰিছে, কাইলৈ হয়তো আন এখন চৰকাৰৰ অধীনত কাম কৰিব। আনহাতে, এখন চৰকাৰী বিদ্যালয়ে ছাত্ৰ-ছাত্ৰী বা তেওঁলোকৰ পিতৃ-মাতৃৰ ৰাজনৈতিক আদৰ্শ যিয়েই নহওক কিয়, সকলোলৈকে সমানে শিক্ষা প্ৰদান কৰে। ঠিক তেনেদৰে, এটা সমাজ কল্যাণ বিভাগে যোগ্য নাগৰিকসকলে কাক ভোট দিছিল তাৰ ওপৰত ভিত্তি নকৰি নিৰপেক্ষভাৱে সেৱা আগবঢ়ায়, আৰু শেষত এজন চৰকাৰী বিষয়াই চৰকাৰৰ সমৰ্থক আৰু সমালোচক দুয়োকে সমানেই নিষ্ঠাৰে সেৱা আগবঢ়োৱাটোৱেই আশা কৰা হয়।

এনে ধৰণৰ ৰাজনৈতিক নিৰপেক্ষতা কেৱল এক প্ৰশাসনিক নিয়মেই নহয়, ই এখন গণতান্ত্ৰিক চৰকাৰৰ অন্যতম মূল ভেটি। এই কাৰণেই শাসনত থকা এজন নেতাৰ ৰাজনৈতিক যাত্ৰা উদযাপন কৰিবলৈ চৰকাৰী যন্ত্ৰক ব্যৱহাৰ কৰাৰ বিষয়টোৱে গভীৰ চিন্তা-চৰ্চাৰ দাবী ৰাখে। আৰু এই কথাটো মই কোনো আইনী প্ৰশ্ন বা ৰাজনৈতিক মতানৈক্যৰ দৃষ্টিকোণৰ পৰা উত্থাপন কৰা নাই, বৰঞ্চ প্ৰাতিষ্ঠানিক শিষ্টাচাৰ আৰু গণতান্ত্ৰিক পৰম্পৰাৰ খাতিৰতহে আঙুলিয়াই দিছোঁ।

অসমৰ এই কাৰ্যসূচীৰ এটা বিশেষ দিশে এই কথাটো খুব সুন্দৰকৈ স্পষ্ট কৰি দিয়ে। "আশীৰ্বাদ দিয়া" কাৰ্যসূচীৰ অধীনত, অৰুণোদয়, পিএমএৱাই-জি, পিএমএৱাই-ইউ আৰু ৰেচন কাৰ্ডৰ দৰে আঁচনিৰ হিতাধিকাৰীসকলক একগোট কৰি, আপোনাৰ জনসেৱাৰ প্ৰতি কৃতজ্ঞতা স্বৰূপে তেওঁলোকৰ ঘৰত চাকি জ্বলোৱাৰ প্ৰস্তাৱ উক্ত নিৰ্দেশনাত দিয়া হৈছে। ইয়াৰ আঁৰৰ উদ্দেশ্য হয়তো সম্পূৰ্ণৰূপে সজ হ'ব পাৰে। তথাপিও, এখন ৰাজহুৱা আঁচনিৰ অধীনত এজন যোগ্য নাগৰিকৰ প্ৰাপ্য অধিকাৰ হিচাপে পোৱা চৰকাৰী সুবিধা, আৰু সেই একেই সুবিধাক এজন ৰাজনৈতিক নেতাৰ ব্যক্তিগত উপহাৰ বুলি বিবেচনা কৰাৰ মাজত এক গুৰুত্বপূৰ্ণ গণতান্ত্ৰিক পাৰ্থক্য আছে।

চৰকাৰী সুবিধা লাভ কৰা এজন নাগৰিকক কোনো ব্যক্তিবিশেষৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ বাবে উৎসাহিত কৰাটো জানো উচিত? নে তেওঁলোকক এই কথা সোঁৱৰাই দিয়া উচিত যে ৰাষ্ট্ৰই নিৰ্দিষ্ট প্ৰতিষ্ঠান আৰু নীতিৰ জৰিয়তে ৰাজহুৱা কল্যাণ সাধন কৰে, যিবোৰ স্বয়ং জনসাধাৰণৰ দ্বাৰাই পৰিচালিত হয়? এই পাৰ্থক্যই নাগৰিকক নিৰ্ভৰশীলতাৰ পৰিৱৰ্তে আত্মসন্মানৰ বোধ প্ৰদান কৰে, যিয়ে সমগ্ৰ ধাৰণাটোক "নেতাজনে মোক কিবা দিছে"ৰ পৰা "মোক সেৱা আগবঢ়োৱাটো গণৰাজ্যৰ এক কৰ্তব্য" লৈ সম্পূৰ্ণৰূপে পৰিৱৰ্তিত কৰে। এই

পাৰ্থক্যটো দেখাত হয়তো তেনেই সূক্ষ্ম যেন লাগিব পাৰে, কিন্তু গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ প্ৰায়ে এনে সূক্ষ্ম পাৰ্থক্যৰ দ্বাৰাইহে সুৰক্ষিত হৈ থাকে।

তদুপৰি, ওপৰত উল্লেখিত নিৰ্দেশনাত বিদ্যালয়সমূহত "২৫ বছৰৰ সেৱা আৰু সমৰ্পণ" আৰু "বিকশিত ভাৰত @ ২০৪৭" আদি বিষয়ৰ ওপৰত বিভিন্ন চিত্ৰাংকন, কুইজ, তৰ্ক আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱো দিয়া হৈছে। সঁচা অৰ্থত, নৱপ্ৰজন্মই ভাৰতৰ উন্নয়ন আৰু ভৱিষ্যতৰ বিষয়ে চিন্তা কৰাটো এক অতি উৎসাহজনক কথা। কিন্তু মই বিশ্বাস কৰোঁ যে গণতন্ত্ৰত বিদ্যালয়সমূহে এক অতি সুকীয়া স্থান অধিকাৰ কৰে। য'ত শিশুসকলক জনসেৱা, আমাৰ সাংবিধানিক মূল্যবোধ, নাগৰিকত্ব, বিভিন্ন প্ৰতিষ্ঠান আৰু গণতান্ত্ৰিক অংশগ্ৰহণৰ দায়িত্বসমূহ বুজিবলৈ শিকোৱা উচিত।

তেনেক্ষেত্ৰত হয়তো এই সুযোগ গ্ৰহণ কৰি কেৱল ৰাজনৈতিক নেতৃত্বক উদযাপন কৰাৰ পৰিৱৰ্তে সাংবিধানিক মূল্যবোধ, জনসেৱা, গণতান্ত্ৰিক প্ৰতিষ্ঠান, আইনৰ শাসন আৰু মৌলিক নাগৰিক দায়িত্ববোধৰ দৰে বিষয়সমূহ বাছনি কৰিব পৰা গ'লহেঁতেন। মই বিশ্বাস কৰোঁ যে এনে বিষয়বোৰে আমাৰ যুৱ নাগৰিকসকলক এই কথা বুজিবলৈ সহায় কৰিব যে জনসেৱা মানে শেষ পৰ্যায়ত সংবিধান, আইন আৰু নাগৰিকৰ সেৱা কৰাটোহে বুজায়, কোনো ব্যক্তি বা ৰাজনৈতিক পদবীধাৰীৰ সেৱা নহয়। আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, আজিৰ পৰা বিশ বা পঞ্চাশ বছৰৰ পাছত প্ৰধানমন্ত্ৰীৰ চকীখনত যিয়েই নাথাকক কিয়, এনে বিষয়বোৰ সমানেই প্ৰাসংগিক হৈ ৰ'ব।

ইয়াত এই কথাও উল্লেখ কৰা প্ৰয়োজনীয় যে, উক্ত নিৰ্দেশনাত তথ্য আৰু জনসংযোগ বিভাগ আৰু মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ক আলোকচিত্ৰ, ভিডিঅ', ৰিল আৰু হিতাধিকাৰীৰ কাহিনীৰ জৰিয়তে চৰকাৰী আঁচনিসমূহৰ প্ৰভাৱ সম্পৰ্কে প্ৰচাৰ চলোৱাৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰা হৈছে। আমি বুজি পাওঁ যে নাগৰিকসকলক তেওঁলোকৰ বাবে উপলব্ধ বিভিন্ন আঁচনি আৰু সেৱাসমূহৰ বিষয়ে অৱগত কৰাৰ সম্পূৰ্ণ অধিকাৰ আৰু দায়িত্ব চৰকাৰৰ নিশ্চয়কৈ আছে। তথাপিও, সৰ্বত্ৰে গণতান্ত্ৰিক চৰকাৰসমূহে এক অতি স্পৰ্শকাতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়— সেয়া হৈছে ৰাষ্ট্ৰৰ স্থায়ী প্ৰচাৰ ব্যৱস্থাক ৰাজনৈতিক প্ৰচাৰৰ আহিলালৈ ৰূপান্তৰ নকৰাকৈ নিজৰ সাফল্যৰ বিষয়ে জনসাধাৰণক অৱগত কৰা।

উদাহৰণস্বৰূপে, "এই চৰকাৰী আঁচনিয়ে বুজন সংখ্যক নাগৰিকক উপকৃত কৰিছে" বুলি কোৱা আৰু আনহাতে "এই ৰাজনৈতিক নেতাজনে এই নাগৰিকসকলৰ জীৱন সলনি কৰি দিছে" বুলি কোৱাৰ মাজত এক বৃহৎ পাৰ্থক্য আছে। প্ৰথমটো হৈছে এক ৰাজহুৱা তথ্য আৰু দ্বিতীয়টো হৈছে প্ৰত্যক্ষ ৰাজনৈতিক প্ৰচাৰ। পুনৰবাৰ কওঁ, যেতিয়া চৰকাৰী সম্পদ জড়িত হৈ থাকে, তেতিয়া এনে ধৰণৰ পাৰ্থক্যই বহুখিনি অৰ্থ বহন কৰে।

ওপৰোক্ত কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি, মই সন্মানেৰে এটা পৰামৰ্শ আগবঢ়াব বিচাৰোঁ। ৰাজহুৱা জীৱনৰ ২৫ বছৰ পূৰ্তি উদযাপনৰ আটাইতকৈ স্মৰণীয় উপায়টো কেৱল এক অনুষ্ঠান অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে এক

প্ৰাতিষ্ঠানিক ব্যৱস্থা এৰি যোৱাটোহে হ'ব পাৰে। কাৰণ, অসম চৰকাৰৰ নিৰ্দেশনাত এনে এটা ধাৰণা কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ ইতিমধ্যে সন্নিৱিষ্ট হৈ আছে।

নিৰ্দেশনাটোৰ পৰা আমি ইতিমধ্যে দেখিবলৈ পাইছোঁ যে কাৰ্যসূচীখনত একেবাৰে প্ৰান্তীয় পৰ্যায়লৈ সেৱা আগবঢ়োৱা, অভিযোগ নিস্পত্তি, হিতাধিকাৰীক সম্পূৰ্ণৰূপে সামৰি লোৱা, চৰকাৰী দুৱাৰদলিৰ শিবিৰৰ সৈতে নাগৰিককেন্দ্ৰিক সুশাসন আৰু কেন্দ্ৰীভূত নিৰীক্ষণৰ দৰে গুৰুত্বপূৰ্ণ দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

সেয়েহে, এই অনুষ্ঠানটোক কিয় এক স্থায়ী পৰম্পৰালৈ ৰূপান্তৰ কৰিব নালাগে? এনে এক পদক্ষেপ, যি এমহীয়া উদযাপনতকৈ বহুত বেছি চিৰস্থায়ী হ'ব আৰু ইয়াৰ পৰিৱৰ্তে ৰাষ্ট্ৰই নিজৰ নাগৰিকসকলক কেনেদৰে সেৱা আগবঢ়ায় তাৰ প্ৰকৃত উন্নতি সাধন কৰিব। মাত্ৰ কল্পনা কৰকচোন, যদি প্ৰতি বছৰে ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ সময়ছোৱা এক বাৰ্ষিক 'প্ৰান্তীয় পৰ্যায়ৰ সুশাসন মাহ' (Last-Mile Governance Month) হৈ পৰে, যাৰ সময়ত সমগ্ৰ ভাৰতবৰ্ষৰ চৰকাৰসমূহে এনে ধৰণৰ জোখমাখ কৰিব পৰা ফলাফল প্ৰকাশ কৰে:

- নিস্পত্তি হোৱা অমীমাংসিত আৱেদনসমূহ
- সমাধান হোৱা অভিযোগসমূহ
- চিনাক্ত আৰু অন্তৰ্ভুক্ত হোৱা যোগ্য অথচ সামৰি নোলোৱা হিতাধিকাৰীসকল
- প্ৰদান কৰা বিলম্বিত সেৱাসমূহ
- সেৱা প্ৰদানৰ গড় সময় হ্ৰাস
- স্বীকৃতিপ্ৰাপ্ত তৃণমূল পৰ্যায়ৰ কৰ্মীসকল
- স্থায়ীভাৱে গ্ৰহণ কৰা উদ্ভাৱনীমূলক প্ৰয়াসসমূহ

পুনৰবাৰ, মই এই কথা দোহাৰিব বিচাৰোঁ যে এই চিঠিখন আপোনাক বা ৰাজহুৱা জীৱনলৈ আপুনি আগবঢ়োৱা অৱদানক উদযাপন কৰাৰ বিৰুদ্ধে কোনো যুক্তি নহয়। আপোনাৰ ৰাজনৈতিক সমৰ্থকসকলৰ তেনে কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। এইখন কেৱল এই দেশৰ এজন নাগৰিক আৰু নৱপ্ৰজন্মৰ এজন হিচাপেহ পৰামৰ্শহে, যিজনে এজন ৰাজনৈতিক নেতাক উদযাপন কৰা আৰু ৰাষ্ট্ৰৰ প্ৰাতিষ্ঠানিক যন্ত্ৰৰ মাজত পাৰ্থক্য বজাই ৰখাত বিশ্বাস কৰে। কাৰণ এখন ৰাষ্ট্ৰ সদায় ইয়াৰ চৰকাৰতকৈ বৃহৎ হৈ থাকিব লাগিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় কোনো নিৰ্দিষ্ট প্ৰধানমন্ত্ৰীয়ে পদভাৰ গ্ৰহণ কৰাৰ আগতেও আছিল, আৰু বৰ্তমানৰ প্ৰতিজন পদাধিকাৰীয়ে পদত্যাগ কৰাৰ বহু পিছলৈকেও ই বৰ্তি থাকিব। একে কথা অসামৰিক সেৱা, বিদ্যালয়, সমাজ কল্যাণ বিভাগ, জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰৰ আন প্ৰতিটো প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো প্ৰযোজ্য। সেই ধাৰাবাহিকতাই হৈছে গণতন্ত্ৰৰ অন্যতম বৃহৎ শক্তি।

শেষত, মই এই কথাখিনিৰেই সামৰণি মাৰিব বিচাৰোঁ যে ৰাজহুৱা জীৱনৰ ২৫ বছৰৰ প্ৰতি শ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি সেই ধাৰাবাহিকতাক শক্তিশালী কৰাটোহে হ'ব, যিয়ে এনে এক পৰিৱেশ এৰি যাব য'ত নাগৰিকজনে চৰকাৰী সুবিধা লাভ কৰাৰ বাবে কোনো নেতাৰ ওচৰত ঋণী অনুভৱ নকৰে আৰু এজন অসামৰিক সেৱাৰ বিষয়াই কোনো ৰাজনৈতিক দলৰ প্ৰতি দায়বদ্ধতা অনুভৱ নকৰে। য'ত চৰকাৰী বা বেচৰকাৰী বিদ্যালয়সমূহে

প্ৰতিজন শিশুক যিকোনো ৰাজনৈতিক ব্যক্তিত্বতকৈ আগত সংবিধানক সন্মান কৰিবলৈ শিকোৱাৰ এক মৌলিক ভূমিকা পালন কৰে, আৰু অৱশেষত এক সুদৃঢ় চৰকাৰী জনসংযোগ ব্যৱস্থা গঢ়ি তোলে যিয়ে নাগৰিকসকলক ৰাষ্ট্ৰই কি কৰিছে সেই বিষয়ে অৱগত কৰে, সেয়াও নেতৃত্ব বহন কৰা ব্যক্তিজনক হাততালি দিবলৈ নোকোৱাকৈ।

সঁচা অৰ্থত সেয়া এক অতি স্মৰণীয় কীৰ্তিস্তম্ভ হৈ ৰ'ব। কাৰণ, দিনটোৰ অন্তত যেতিয়া আমি উভতি চাওঁ, যিকোনো জনসেৱকৰ আটাইতকৈ ডাঙৰ সাফল্য এইটো নহয় যে নাগৰিকসকলে তেওঁলোকক চিৰদিনৰ বাবে মনত ৰাখিব, বৰঞ্চ তেওঁলোকে এৰি যোৱা প্ৰতিষ্ঠানসমূহ তেওঁলোকে কাৰ্যালয় এৰাৰ বহু পিছতো দেশৰ নাগৰিকসকলক সেৱা আগবঢ়াবলৈ যথেষ্ট শক্তিশালী হৈ উঠে— সেয়াহে প্ৰকৃত সাফল্য। আৰু মই ভাবোঁ, গণতন্ত্ৰত সেয়াই হয়তো সৰ্বোচ্চ স্তৰৰ “সেৱা”।

শ্ৰদ্ধাৰে,

কুংকি চৌধুৰী
অসম জাতীয় পৰিষদ